समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ২

মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম

অংশ – ৬

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। মহাত্মা গান্ধীৰ কেতিয়া জন্ম হৈছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰত।



২। সত্যাগ্রহৰ কৌশল গান্ধীয়ে কোন দেশত পোনপ্রথমতে প্রয়োগ কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- দক্ষিণ আফ্রিকাত।



৩। ৰবীন্দ্রনাথ ঠাকুৰে কিয় 'নাইট' উপাধি ত্যাগ কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জালিৱানৱালা বাগৰ হত্যাকাণ্ডৰ প্ৰতিবাদত ৰবীন্দ্ৰনাথ ঠাকুৰে 'নাইট' উপাধি ত্যাগ কৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কাৰ কাৰ নেতৃত্বত ভাৰতত খিলাফৎ আন্দোলনৰ সূচনা হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মৌলানা চৌকত আলি আৰু মহম্মদ আলিৰ নেতৃত্বত।



৫। চৌৰীচৌৰাৰ ঘটনা কেতিয়া সংঘটিত হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯২২ চনৰ ৫ ফেব্রুৱাৰীত।




৬। কেনে পৰিস্থিতিত লালা লাজপত ৰায়ৰ মৃত্যু হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- লাহোৰত লালা লাজপত ৰায়ৰ নেতৃত্বত হোৱা এটা ছাইমন বিৰোধী সমদলৰ ওপৰত পুলিচে নির্দয়ভাৱে লাঠী চালনা কৰে, য'ত লাজপত ৰায় বেয়াকৈ আহত হয় আৰু তাৰ ফলতেই তেওঁ মৃত্যু বৰণ কৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। কেতিয়া আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনখন অধিৱেশনত ভাৰতীয়সকলৰ মূল দাবী হিচাপে পূৰ্ণ স্বৰাজৰ দাবী উত্থাপন কৰা হৈছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯২৯ চনত লাহোৰত বহা কংগ্রেছৰ অধিৱেশনত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। গান্ধীজীয়ে সবৰমতী আশ্রমৰ পৰা ডাণ্ডিৰ সাগৰ পাৰলৈ লোন আইন ভংগ কৰিবলৈ গৈছিল। সবৰমতী আশ্রম আৰু ডাণ্ডিৰ মাজত দূৰত্ব কিমান?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ৩৮৫ কিলোমিটাৰ দূৰত্ব।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। সীমান্ত গান্ধী নামেৰে কাক জনা যায়?



উত্তৰঃ- খান আব্দুল গফুৰ খান।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। লণ্ডনত অনুষ্ঠিত হোৱা দ্বিতীয় ঘূৰণীয়া মেজমেলত কোনে কংগ্ৰেছক এককভাবে প্ৰতিনিধিত্ব কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মহাত্মা গান্ধীয়ে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ১৯৩২ চনত সাম্প্রদায়িক বাঁটোৱাৰা ঘোষণা কৰা ব্রিটিছ প্ৰধানমন্ত্রীজনৰ নাম কি আছিল?




উত্তৰঃ- ৰামছে মেকডোনাল্ড।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। কোনটো আন্দোলনৰ সময়ছোৱাত গান্ধীজীয়ে 'কৰিম কিম্বা মৰিম' শ্লোগান দিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ছোৱাত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। আজাদ হিন্দ ফৌজৰ প্ৰতিষ্ঠাতা কোন?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ৰাসবিহাৰী বসু (পোন প্ৰথমে ধাৰণাটো পোষণ কৰিছিল কেপ্টেইন মোহন সিঙে)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। 'মোক তেজ দিয়া, মই তোমালোকক স্বাধীনতা দিম' এই বিখ্যাত বাণীটো কোন ভাৰতীয় নেতাৰ আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- নেতাজী সুভাষ চন্দ্ৰ বসু।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। ভাৰত আৰু পাকিস্তানৰ মাজৰ সীমাৰেখাক কি নামেৰে জনা যায়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ৰেডক্লিফ ৰেখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। সত্যাগ্ৰহ বুলিলে কি বুজা? যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্ৰত গান্ধীয়ে সত্যাগ্ৰহক প্ৰথমতে প্ৰয়োগ কৰিছিল সেই তিনিটাৰ বিষয়ে সংক্ষিপ্ত ৰূপত লিখা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সত্যাগ্রহ হ'ল এক আধ্যাত্মিক আন্দোলন, এক বিশুদ্ধিকৰণ আৰু প্রায়শ্চতকৰণ প্রক্রিয়া। ১৯১৭-১৮ চনত উত্তৰ বিহাৰৰ চম্পাৰণ, গুজৰাটৰ খেড়া আৰু আহমেদাবাদত সংঘটিত তিনিটা ঘটনাৰ সমাধানৰ ক্ষেত্রত সত্যাগ্রহক ব্যৱহাৰ কৰিছিল আৰু তাত দেখুওৱা দক্ষতাৰ বাবে পৰৱর্তী সময়ত তেওঁ এজন প্রভাৱশালী ৰাজনৈতিক নেতা হিচাপে স্বীকৃতি লাভ কৰিছিল। যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্রত গান্ধীয়ে সত্যাগ্রহক প্রথমতে প্রয়োগ কৰিছিল সেই তিনিটাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল —

(i) চম্পাৰণ (উত্তৰ বিহাৰ) বিবাদঃ- চম্পাৰণত তেওঁ ভূ-স্বামীসকলৰ বিপক্ষে সাধাৰণ কৃষকসকলক নেতৃত্ব প্রদান কৰিছিল।

(ii) খেড়া (গুজৰাট) বিবাদঃ- খেড়াত, কৃষকসকলৰ খেতি নষ্ট হোৱাৰ পিছতো চৰকাৰে আৰোপ কৰা অত্যাধিক কৰাৰ বিপক্ষে মাত মাতিছিল।

(iii) আহমেদাবাদ (গুজৰাট) বিবাদঃ- আহমেদাবাদত বঞ্চিত মিল শ্রমিকসকলৰ হৈ মিল মালিকসকলৰ বিপক্ষে মাত মাতিছিল।

উল্লেখযোগ্য যে, উক্ত প্রতিটো কার্যসূচীতে তেওঁ "সত্যাগ্রহ"ক কৌশল হিচাপে ব্যৱহাৰ কৰিছিল য'ত আদর্শ আছিল সত্য আৰু অহিংসা।

২। ভাৰতত খিলাফৎ আন্দোলন কিয় আৰম্ভ হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- ২৮ জুন ১৯১৪ চনত প্ৰথম বিশ্ব যুদ্ধৰ সূচনা হৈছিল। এই যুদ্ধত বিশ্বৰ দেশসমূহ দুটা ফৈদত বিভক্ত হৈ এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল। তাৰে এটা পক্ষত আছিল মিত্ৰ শক্তি য'ত অংশগ্ৰহণকাৰী দেশবোৰ আছিল ব্ৰিটেইন, ফ্ৰান্স, ৰুচিয়া, জাপান আৰু আনটো পক্ষ আছিল কেন্দ্ৰীয় শক্তি —জাৰ্মানী, অষ্ট্ৰীয়া, হাংগেৰী, ইটালী, বুলগেৰিয়া আৰু অটোমান সাম্ৰাজ্য।অটোমান সম্ৰাজ্য হ'ল তুৰ্কীসকলে নেতৃত্ব দিয়া কিছুমান ইছলামিক ৰাষ্ট্ৰৰ (ইৰাক, ইজিপ্ত, লেবেনান, পেলেষ্টাইন ইত্যাদি) গোট। ১২৯৯ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা এই সাম্ৰাজ্য ১৪শ, ১৫শ আৰু ১৬শ শতিকাত প্ৰৱল প্ৰতাপী হৈ উঠিছিল। অটোমান সাম্ৰাজ্যৰ অধীনত ইছলাম ধৰ্মালম্বী লোকৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

কেইবাখনো প্রবিত্র স্থান অন্তর্ভুক্ত হৈ আছিল। খালিফে ইয়াৰ নেতৃত্ব বহন কৰিছিল। প্রথম বিশ্বযুদ্ধত কেন্দ্রীয় শক্তি পৰাজিত হোৱাৰ পিছত মিত্র শক্তিৰ লগত শান্তি চুক্তি স্বাক্ষৰ কৰিবলগীয়া হয়। শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ পাছত মিত্র শক্তিৰ অধীনত থকা অটোমান সাম্রাজ্যৰ ৰাষ্ট্রবোৰ ভাগ ভাগ হৈ পৰে আৰু ইছলাম ধর্মৰ নেতা খালিফৰ স্থিতি ক্রমাৎ দুর্বল হৈ পৰে। সেই সময়ত গোটেই বিশ্বৰ মুছলমানসকলে নিজৰ পবিত্র স্থানসমূহৰ নিৰাপত্তা আশা কৰি খিলাফৎ আন্দোলন গঢ়ি তুলিছিল। মৌলানা মহম্মদ আলি আৰু মৌলানা চৌকত আলিয়ে ১৯১৯ চনত "সদৌ ভাৰত মুছলিম সমাৱর্তন আহ্বান" কৰি


ভাৰতবৰ্ষৰ ইছলাম ধৰ্মৰ লোকসকলক এই আন্দোলনত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰে। পৰৱৰ্তী সময়ত মহাত্মা গান্ধীকে ধৰি দেশৰ ইছলাম ধৰ্মালম্বী লোকে এই আন্দোলনলৈ সমৰ্থন আগবঢ়ায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ১৯২০-২২ চনত গান্ধীজীয়ে কিয় অসহযোগ আন্দোলন আৰম্ভ কৰিছিল? ইয়াৰ কার্যসূচী কি আছিল? গান্ধীজীয়ে কিয় এই আন্দোলন বন্ধ কৰিছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- "অসহযোগ আন্দোলন" আছিল ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামৰ ইতিহাসত সংঘটিত হোৱা প্রথম সর্ববৃহৎ আন্দোলন য'ত দেশৰ বেছিভাগ প্রান্তৰ লোকে স্বতঃস্ফূর্তভাৱে অংশগ্রহণ কৰিছিল। অসহযোগ আন্দোলনত ইন্ধন যোগোৱা প্রধান কাৰকসমূহ আছিল —

(i) প্রথম বিশ্বযুদ্ধত ভাৰতীয় সকলৰ অসন্তুষ্টি,
(ii) ৰাওলাট আইনৰ দমনমূলক নীতি,
(iii) ১৯১৯ চনৰ জালিয়ানাৱালাবাগৰ হত্যাকাণ্ড,
(iv) ব্রিটিছৰ দ্বাৰা ভাৰতৰ অর্থনৈতিক শোষণ,
(v) খিলাফৎ আন্দোলনৰ প্রতি সমর্থন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উক্ত ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত ১৯২০ চনৰ ১ আগষ্টত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ হয়।

ইয়াৰ বিভিন্ন কার্যসূচীসমূহ আছিল —

(i) বিদেশী বয়-বস্তু, বস্ত্র, সুৰা আদি বর্জন কৰা।

(ii) ছাত্র-ছাত্রীৰ দ্বাৰা বিদ্যালয়-মহাবিদ্যালয় ত্যাগ।

(iii) দেশৰ বিভিন্ন প্রান্তত জাতীয় শিক্ষানুষ্ঠানৰ গঠন।

(iv) স্বেচ্ছাসেৱকক সদস্য ভর্তি কৰোৱা।

(v) দেশত যঁতৰ প্রস্তুত কৰা।

(vi) জনগণৰ মাজত জাগৰণ আনিবলৈ গান্ধীজীৰ দ্বাৰা সমগ্র দেশ ভ্রমণ কার্যসূচী।

(vii) আন্দোলনটোৰ খৰচ বহন কৰিব পৰাকৈ আর্থিক গোট গঠন কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

সমগ্ৰ দেশতে অসহযোগ আন্দোলনে ব্যাপক সহাৰি লাভ কৰাৰ সময়তে ১৯২২ চনৰ ৫ ফ্ৰেব্ৰুৱাৰী তাৰিখে উত্তৰ প্ৰদেশৰ গোৰখপুৰ জিলাৰ চৌৰিচৌৰাত স্থানীয় পুলিচ আৰু প্ৰতিবাদকাৰীৰ মাজত হিংসাত্মক ঘটনা সংঘটিত হয়। এই ঘটনাত তিনিজন প্ৰতিবাদকাৰী পুলিচৰ গুলীত নিহত হোৱাত উন্মত্ত জনতাই পুলিচ থানাত অগ্নিসংযোগ কৰি ২২ জন পুলিচক হত্যা কৰে। এই ঘটনাত মৰ্মাহত হৈ গান্ধীজীয়ে অসহযোগ আন্দোলন বন্ধ ৰখাৰ সিদ্ধান্ত লয়। অৱশেষত ১৯২২ চনৰ ২২ ফ্ৰেব্ৰুৱাৰীত অসহযোগ আন্দোলন আনুষ্ঠানিকভাৱে অন্ত পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। আইন অমান্য আন্দোলনৰ মূল লক্ষ্য কি আছিল? এই আন্দোলনৰ মূল বৈশিষ্ট্য কি আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ব্রিটিছ চৰকাৰৰ দ্বাৰা গঠিত চাইমন কমিছনৰ বিৰোধিতাৰে আইন অমান্য আন্দোলনৰ আৰম্ভণি হৈছিল। এই কমিছনখনত ভাৰতীয় লোকৰ কোনো প্রতিনিধিত্ব নথকাৰ বাবে ১৯২৭ চনত গঠিত এই আইনখনক ভাৰতবাসীয়ে শ্বেতকায়সকলৰ কমিছন বুলি অভিহিত কৰিছিল। ১৯২৮ চনত কলিকতাত বহা কংগ্রেছৰ অধিৱেশনখনত ব্রিটিছ চৰকাৰক সকীয়াই দিয়া হৈছিল যে — ভাৰতত ডমিনিয়নৰ ব্যৱহাৰ নকৰিলে, দেশজুৰি আইন অমান্য আন্দোলন গঢ়ি তোলা হ'ব। ১৯৩১ চনত ব্রিটিছ অপশাসনৰ অৱসান বিচাৰি ভাইচৰয় লর্ড আৰউইনলৈ কেইবাটাও দাবী সম্বলিত এখন চৰম পত্র প্রেৰণ কৰা হয় —

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(i) মাদক দ্ৰব্যৰ প্ৰচলন বন্ধ কৰা।
(ii) টকা আৰু ষ্টার্লিঙৰ অনুপাত সলনি কৰা।
(iii) মাটিৰ খাজনাৰ পৰিমাণ কম কৰা।
(iv) লোণ কৰ বন্ধ কৰা।
(v) সৈন্য বাহিনীৰ ব্যয় কমোৱা।
(vi) প্ৰশাসনীয় ব্যয় সংকোচন কৰা।
(vii) বিদেশী কাপোৰত সীমা শুল্ক আৰোপ কৰা।
(viii) ডাক সংৰক্ষণ বিল গ্ৰহণ কৰা।
(ix) অপৰাধ অনুসন্ধান শাখাৰ বিলুপ্তি কৰা।
(x) সকলো ৰাজনৈতিক বন্দীক মুক্তি দিয়া।
(xi) আত্ম ৰক্ষাৰ বাবে সাধাৰণ নাগৰিকক অস্ত্ৰ-শস্ত্ৰ ৰখাৰ বৈধতা প্ৰদান কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পত্রত উল্লেখ কৰা এই ১১ টা দাবীকে আন্দোলনৰ লক্ষ্য চিহ্নিত কৰিব পাৰি।

এই আন্দোলনৰ বৈশিষ্ট্যসমূহ হৈছে —

(i) আন্দোলনৰ সমান্তৰালভাৱে গান্ধীজীয়ে লোণ সত্যাগ্রহ (দাণ্ডী যাত্রা) আৰম্ভ কৰিছিল। ১৯৩০ চনৰ ২২ মার্চত গান্ধী আৰু তেওঁৰ অনুগামীসকলে আহমেদাবাদৰ সবৰমতী আশ্রমৰ পৰা ভাৰতৰ পশ্চিম উপকূলত থকা দাণ্ডি নামৰ ঠাই টুকুৰালৈ যাত্রা আৰম্ভ কৰিছিল। উক্ত ঠাইত উপস্থিত হৈ গান্ধীজীয়ে নিজে লোণ প্রস্তুত কৰি চৰকাৰৰ প্রতি প্রত্যাহ্বান সৃষ্টি কৰিছিল। পিছলৈ সমগ্র দেশৰ অন্য প্রান্তটো লোণ আইনক প্রত্যাহ্বান জনোৱা হৈছিল।


(ii) উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত খান আব্দুল গফৰ খানৰ নেতৃত্বত "ৰেড চার্টছ" হিচাপে জনপ্ৰিয় "খুদাই খিদমতগাৰ" সকলে আন্দোলনটো চলাই নিছিল।

(iii) আন্দোলনৰ বাবে কংগ্ৰেছে লণ্ডনত অনুষ্ঠিত প্ৰথম ঘূৰণীয়া মেজমেলত অংশ গ্ৰহণ কৰা নাছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কি পৰিস্থিতিত ভাৰত ত্যাগ আন্দোলনৰ সূচনা হৈছিল? ভাৰতৰ স্বাধীনতা সংগ্ৰামত এই আন্দোলনৰ কাৰ্যসূচীক তুমি মাইলৰ খুঁটি হিচাপে সাব্যস্ত কৰিব খোজানে? তোমাৰ মতামতৰ সমৰ্থনত যুক্তি দিয়া।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৩৯ চনৰ ছেপ্তেম্বৰ মাহত দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণি হৈছিল। গান্ধী আৰু নেহেৰু দুয়োজনেই হিটলাৰ আৰু নাৎসী বাহিনীৰ বিৰোধী আছিল। কিন্তু ভাৰতৰ ক্ষেত্ৰত "সম্পূৰ্ণ স্বাধীনতাৰ" প্ৰস্তাৱ গ্ৰহণ কৰিলে ব্ৰিটিছ বাহিনীক বিশ্বযুদ্ধত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু ব্ৰিটিছে সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰে। প্ৰতিবাদস্বৰূপে কংগ্ৰেছৰ মন্ত্ৰীসকলে ১৯৩৯ চনত মন্ত্ৰিত্ব ত্যাগ কৰে।

১৯৪২ চনত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী উইনস্টন চাৰ্চিলে তেওঁৰ মন্ত্ৰীসভাৰ এজন মন্ত্ৰী ছাৰ. ষ্টফাৰ্ড. ক্ৰিপছক ভাৰতলৈ প্ৰেৰণ কৰে। উদ্দেশ্য আছিল –

ভাৰতৰ ৰাজনৈতিক দলবিলাকৰ সৈতে আলোচনা কৰি ইউৰোপত চলি থকা যুদ্ধত ব্ৰিটিছৰ পক্ষত সহায় আৰু সমর্থন কৰা। ক্ৰিপছ মিছনৰ প্ৰস্তাৱত যুদ্ধৰ অন্তত ভাৰতৰ বাবে ডমিনিয়ন ব্যৱস্থা কৰা, লগতে এখন সংবিধানিক পৰিষদ আৰু প্ৰদেশসমূহৰ কাৰণে পৃথক সংবিধানৰ অধিকাৰ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল। অৱশেষত ক্ৰিপছ মিছনো ব্যর্থ হয়।

ইয়াৰ লগতে ভাৰত ত্যাগ আন্দোলনৰ অন্য কিছুমান কাৰণ আছিল — জাপানৰ ভাৰত আক্ৰমণৰ ভাবুকি, পূৰ্ববংগত সন্ত্ৰাস, ব্ৰিটিছে দেশখনক ৰক্ষা কৰিব নোৱাৰিব বুলি ভাৰতীয়সকলৰ মনত ঠাই লোৱা নিৰাপত্তাহীনতাৰ ভাৱ ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাৰত ত্যাগ আন্দোলন দীর্ঘম্যাদী নাছিল যদিও ই ভাৰতীয়সকলৰ জাতীয়তাবাদী ভাৱ ধাৰাৰ গভীৰতা, সংগ্রাম আৰু ত্যাগৰ সামূহিক প্রদর্শনৰ এক অন্যান্য উদাহৰণ আছিল। স্বাধীনতাৰ জাতীয়তাবাদী সংগ্রামত জনসাধাৰণৰ স্বতঃস্ফূর্ত অংশগ্রহণে এই আন্দোলনক এক নতুন মাত্রা প্রদান কৰিছিল। স্বাধীনতাৰ বাবে আপোচবিহীনভাৱে কৰা এই সংগ্রামত জাতি, ধর্ম নির্বিশেষে ছাত্র, মহিলা, খেতিয়ক আৰু শ্রমিক সকলো জপিয়াই পৰিছিল। এই ঐতিহাসিক আন্দোলনটোৱে স্বাধীনতাৰ দাবীক জাতীয়তাবাদী আন্দোলনৰ তাৎক্ষণিক কার্যসূচীলৈ পৰিণত কৰিছিল।

সকলো দিশৰ পৰা চালি-জাৰি চাই এই আন্দোলনৰ কার্যসূচীক মাইলৰ খুঁটি বুলি অভিহিত কৰিব পাৰি।



৬। ভাৰতীয় জাতীয় সেনা বাহিনীৰ বিষয়ে এটা চমু টোকা লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতীয় জাতীয় সেনা বাহিনীৰ ধাৰণাটো প্ৰথমে পোষণ কৰিছিল মালয় ব্ৰিটিছ সেনা বাহিনীত চাকৰি কৰি পিছত জাপানী সৈন্যৰ হাতত আত্মসমৰ্পণ কৰা ভাৰতীয় সেনা বিষয়া কেপ্টেইন মোহন সিঙে।

১৯৪২ চনত বিদেশবাসী ভাৰতীয়সকলক লৈ টকিঅ'ত ভাৰতীয় স্বতন্ত্ৰ লীগ গঠন কৰা হৈছিল। ইয়াৰ ঠিক পিছতে বেংকত বহা অধিৱেশনত লীগৰ সভাপতি হিচাপে বিদেশবাসী জাতীয়তাবাদী নেতা ৰাসবিহাৰী বসুক নিৰ্বাচিত কৰাৰ লগতে ভাৰতীয় জাতীয় সেনাক পুনৰ গঠনৰ সিদ্ধান্ত লোৱা হয়। জাপানত অনুস্থিত লীগৰ এখন বৈঠকত সুভাষ চন্দ্ৰ বসুক ভাৰতীয় জাতীয় সেনাৰ মুৰব্বীৰ দায়িত্ব প্ৰদান কৰা হয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৯৪৩ চনৰ অক্টোবৰত, তেওঁ ছিংগাপুৰত স্বাধীন ভাৰতৰ অস্থায়ী চৰকাৰ (আজাদ হিন্দ চৰকাৰ) গঠন কৰি ব্রিটিছ মুক্ত ভাৰত গঠনৰ সিদ্ধান্ত লয়। ভাৰতীয় জাতীয় সেনা বাহিনীক পুনৰ গঠন কৰা হয়। যুদ্ধ বন্দীৰ লগতে সাধাৰণ মানুহকো সৈন্যবাহিনীত অন্তর্ভুক্তিৰ বাবে ব্যৱস্থা কৰা হয়। যুদ্ধৰ বাবে আৱশ্যকীয় পুজি গঠনৰ ব্যৱস্থা হাতত লয়। "ঝান্সি ৰাণী ৰেজিমেন্ট" নামৰ মহিলাৰ বাহিনী এটাও গঠন কৰা হয়।

ভাৰতীয় জাতীয়সেনাৰ মূল শ্লোগান আছিল "জয় হিন্দ"। ব্রিটিছ আৰু সহযোগী সৈন্যৰ বিপক্ষে ভাৰতীয় জাতীয় সেনা বাহিনীয়ে জাপানৰ লগলাগি ব্রহ্মদেশ, ইম্ফল আৰু কহিমাত যুদ্ধ জয় কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বসুৰ বিখ্যাত "মোক তেজ দিয়া আৰু মই তোমাক স্বাধীনতা দিম" উক্তিয়ে সৈন্যসকলক অনুপ্ৰাণিত কৰিছিল। কিন্তু বিশ্বযুদ্ধত জাপানৰ পৰাজয় আৰু আত্মসমৰ্পণে ভাৰতীয় জাতীয় সৈন্যবাহিনীকো আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰে।

